**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 31-**05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰিব।

২। ভাৰতীয় নৌ সেনাবাহিনীয়ে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানৰ নৌ সেনাবাহিনীক দেশখনৰ বন্দৰসমূহতে আবদ্ধ কৰি ৰাখিছিল বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইঙে বিহাৰ ভ্ৰমণ সামৰি কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়।

৪। সাত্বিকসাইৰাজ ৰানকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো আজি ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি গুজৰাট টাইটানছ্ ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

ভাৰতীয় নৌ সেনাবাহিনীয়ে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানৰ নৌ সেনাবাহিনীক দেশখনৰ বন্দৰসমূহতে আবদ্ধ কৰি ৰাখিছিল বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত কালি নৌ সেনা শৌৰ্য ৱাটিকা শীৰ্ষক নৌ সংগ্ৰহালয় মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে নৌ সেনাবাহিনীয়ে অপাৰেচন সিন্দূৰৰ সময়ত পাকিস্তানক চাপত ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ কয়, যে সেই অভিযানৰ সময়ত আৰব সাগৰত সৌ সেনা বাহিনীক পূৰ্ণ প্ৰস্তুতি আৰু সামৰ্থৰ সৈতে নিয়োগ কৰা হৈছিল আৰু ইয়াৰ ফলত পাকিস্তান নিৰন্তৰ চাপৰ সন্মুখীন হৈছিল। উল্লেখযোগ্য যে পেহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধকল্পে ২০২৫ চনৰ সাত মে'ত অপাৰেচন সিন্দূৰ আৰম্ভ কৰা

হৈছিল। এই অভিযানৰ সময়ত ভাৰতীয় বাহিনীসমূহে পাকিস্তান আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ বিভিন্ন ঠাইত থকা সন্ত্ৰাসবাদী ঘাটিসমূহক লক্ষ্য কৰি নিখুঁট আক্ৰমণ চলাইছিল।

০০০০

ম্যানমাৰৰ ৰাষ্ট্ৰপতি উ মিন আং লাইঙে বিহাৰ ভ্ৰমণ সামৰি কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত আদৰণি জনায়। ইয়াৰ পূবে ম্যানমাৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কালি ভ্ৰমণসূচীৰ অংশ হিচাপে বিহাৰৰ বুদ্ধগয়াত উপস্থিত হয়। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে বিশ্বপ্ৰসিদ্ধ মহাবোধি মন্দিৰ আৰু ঐতিহাসিক সুজাতা মন্দিৰত প্ৰাৰ্থনা জনায়। তেওঁ বুদ্ধগয়াত থকা ম্যানমাৰৰ বিভিন্ন বৌদ্ধ মঠ পৰিদৰ্শন কৰে। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে জ্যেষ্ঠ বিষয়া আৰু বৌদ্ধ প্ৰতিনিধিৰ এটা উচ্চ পৰ্যায়ৰ দলো উপস্থিত আছিল।

ম্যানমাৰৰ ৰাষ্ট্ৰপতিগৰাকী আজি ভাৰত-ম্যানমাৰ বাণিজ্যিক সন্মিলনত উপস্থিত থাকিব। কাইলৈ ৰাষ্ট্ৰপতি উ মিন আং লাইঙে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দুয়োখন দেশৰ ঐতিহাসিক আৰু সভ্যতাৰ সৈতে জড়িত সম্পৰ্ক আৰু শক্তিশালী কৰাৰ বাবে আলোচনাত মিলিত হ'ব। ভাৰত ভ্ৰমণৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি দুই জুনত বাণিজ্য তথা উদ্যোগ খণ্ডৰ সৈতে জড়িত বহুকেইজন ব্যক্তিক সাক্ষাৎ কৰাৰ উদ্দেশ্যে মুম্বাই ভ্ৰমণ কৰিব।

ৰাষ্ট্ৰপতি উ মিন আং লাইঙৰ এই পাঁচদিনীয়া ভাৰত ভ্ৰমণে উভয় দেশৰ মাজৰ ঐতিহাসিক, সংস্কৃতিক আৰু বৌদ্ধ ঐতিহাসিক বান্ধোন শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণে লগতে দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সহোযোগিতাত গতি প্ৰদান কৰিব বুলি বিশেষজ্ঞ মহলে প্ৰকাশ কৰিছে।

০০০০

নিৰ্বাচন আয়োগে নিজৰ পৰিকাঠামো আৰু অধিক শক্তিশালী কৰাৰ উদ্দেশ্যেৰে নতুন দিল্লীত কালি ভাৰতীয় নিৰ্বাচন আয়োগৰ পৰামৰ্শদাতা ২০২৬ৰ ৰাষ্ট্ৰীয় সন্মিলন আহ্বান কৰে। সন্মিলনখন উদ্বোধন কৰি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে নিৰপেক্ষ ভূমিকাৰ ফলত নিৰপেক্ষ নিৰ্বাচন হয়। তেওঁ বুথ পৰ্যায়ৰ বিষয়া আৰু এজেণ্টসকলক নিৰ্বাচনী তালিকা ব্যৱস্থাপনা পদাটিক সৈনিক বুলিও প্ৰশংসা কৰে। শেহতীয়াকৈ অসম, কেৰলম, পডুচেৰী, তামিলনাডু আৰু পশ্চিমবংগত বিধানসভা নিৰ্বাচনৰ সময়ত হোৱা উচ্চ পৰ্যায়ৰ প্ৰতিদ্বন্দ্বিতাৰ ওপৰতো তেওঁ আলোকপাত কৰে। এই সন্মিলনত উচ্চতম ন্যায়ালয় আৰু দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ৰ সন্মুখত আয়োগক প্ৰতিনিধিত্ব কৰা অধিবক্তাসকলৰ লগতে আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়া আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কালি শ্বিলঙৰ পল'স্থিত জে এন ক্ৰীড়া প্ৰকল্প চৌহদত সংহত আয়োজন তথা ক্ৰীড়া প্ৰকল্প মুকলি কৰে। ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱৰ বাবে কালি আয়োজক ৰাজ্য বন্দোবস্তি সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও সম্পাদিত হয়। মেঘালয়ে আয়োজক ৰাজ্য হিচাপে অগ্ৰণী ভূমিকা পালন কৰাৰ বিপৰীতে উত্তৰ পূৰ্বাঞ্চলৰ ভগ্নী ৰাজ্যসমূহে তেওঁলোকৰ ৰাজ্যত অনুষ্ঠিত বিভিন্ন শিতানৰ খেলৰ ক্ষেত্ৰত আয়োজক হিচাপে অংশগ্ৰহণৰ অধিকাৰ লাভ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে মেঘালয়ৰ অৰ্থনীতি আৰু আন্তঃগাঁথনি ক্ৰমাৎ সুদৃঢ় হৈ উঠিছে আৰু দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ বৰঙণি বৃদ্ধি পাইছে।

মেঘালয়ত এটা উন্নতি কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি শ্ৰীমন্দাভিয়াই ঘোষণা কৰে। অনুষ্ঠানত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা, মেঘালয়ৰ ক্ৰীড়া মন্ত্ৰী ৰেলাড্‌মিকী চাইলা, ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ ড০ পি টি উষা আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ বিষয়াসকল উপস্থিত থাকে।

০০০০

ভাৰতৰ সাত্বিকসাইৰাজ ৰানকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো আজি ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত ইণ্ডোনেছিয়াৰ মহম্মদ ছহিবুল ফিক্ৰি আৰু ফজৰ আলফিয়ানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সাত্বিকসাইৰাজ আৰু চিৰাগৰ যুটীটোৱে ২০২৪ চনৰ মে'ত থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত জয়লাভ কৰাৰ পাছৰে পৰা কোনো খিতাপ দখল কৰিবলৈ সমৰ্থ হোৱা নাই।

সাত্বিকসাইৰাজ আৰু চিৰাগে কালি চেমিফাইনেলত বিশ্বৰ এক নম্বৰ স্থানৰ দক্ষিণ কোৰিয়াৰ ছিঅ' ছিয়াং জে আৰু কীম ৰ'ন হোৰ যুটীটোক ২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে। ভাৰতীয় যুটীটোৱে কীম আৰু ছিঅ'ৰ একেৰাহে ৩৪ খন খেলত জয়লাভৰ ধাৰা ভংগ কৰে। প্ৰতিযোগিতাৰ আনখন চেমিফাইনেলত মহম্মদ ছহিবুল ফিক্ৰি আৰু ফজৰ আলফিয়ানৰ যুটীটোৱে চীনৰ লিয়াং ৱেই কেং আৰু ৱাং ছাঙক ২৩-২১, ২১-৪ গেমত পৰাস্ত কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰয়েল ছেলেঞ্জাৰ্চ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০

নাগালেণ্ডৰ উচ্চ শিক্ষা আন্তঃগাঁথনি সুদৃঢ়কৰণৰ প্ৰচেষ্টাৰ অংশ হিচাপে কালি ডিমাপুৰ চৰকাৰী মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান চমুকৈ পি এম উষাৰ অধীনৰ পুঁজিৰে ৰূপায়িত তিনিটা গুৰুত্বপূৰ্ণ প্ৰকল্প মুকলি কৰা হয়। নতুনকৈ উদ্বোধন কৰা সুবিধাসমূহৰ ভিতৰত মহাবিদ্যালয় সুদৃঢ়কৰণ অনুদানৰ অধীনত নিৰ্মাণ কৰা অত্যাধুনিক শৈক্ষিক ভৱন, নিয়োগ আৰু উদ্যমিতা প্ৰসাৰৰ লক্ষ্যৰে স্থাপন কৰা এটা ইনকিউবেশ্যন তথা দক্ষতা বিকাশ কেন্দ্ৰ আৰু পি এম উষাৰ অধীনৰ লিংগ অন্তৰ্ভুক্তি তথা ক্ষমতা উদ্যমৰ অন্তৰ্গত নিৰ্মাণ কৰা ছাত্ৰীনিবাস অন্যতম। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অনুষ্ঠানত ভাষণ দি নাগালেণ্ডৰ উচ্চ শিক্ষা আৰু পৰ্যটন মন্ত্ৰী টেমজেন ইমনা আলঙে এই প্ৰকল্পসমূহক ৰাজ্যখনৰ উচ্চ শিক্ষা খণ্ডৰ অগ্ৰগতিৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে। প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু পৰিৱৰ্তনশীল অৰ্থনীতিৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে শৈক্ষিক প্ৰতিষ্ঠানসমূহক শিক্ষাৰ্থীসকলৰ মাজত ব্যৱহাৰিক দক্ষতা আৰু উদ্ভাৱনমূলক মানসিকতা বিকশাই তুলিবলৈ আহ্বান জনায়। তেওঁ লগতে কয়, যে স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰা শিক্ষাৰ্থীসকলে মহাবিদ্যালয়ৰ পৰা অকল শৈক্ষিক যোগ্যতাৰ সৈতে নহয়, বৰং কৰ্মসংস্থাপন আৰু নিজকে আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে প্ৰয়োজনীয় দক্ষতাৰ সৈতে ওলাই যোৱা উচিত।

০০০০

ইংলেণ্ডৰ মহিলা ক্ৰিকেট দলে যোৱা নিশা ব্ৰিষ্ট'লত অনুষ্ঠিত তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰকত ২৬ ৰানত পৰাস্ত কৰি শৃংখলাত ১-১ ফলাফলেৰে সমতা স্থাপন কৰে। খেলখনত ইংলেণ্ডে টছ্ত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৬৮ ৰান কৰে। ইংলেণ্ডৰ হৈ ফ্ৰেয়া কেম্পে ১৩ টা বলত ৩৯ ৰান কৰে। ভাৰতৰ হৈ বাওঁহতীয়া স্পীনাৰ শ্ৰী চৰনিয়ে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে নিৰ্ধাৰিত২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৪২ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ য়ষ্টিকা ভাটিয়াই সৰ্বাধিক ৩৩ ৰান কৰে। ইংলেণ্ডৰ হৈ অধিনায়ক চেৰল'ট ডিনে দুটা উইকেট দখল কৰে। ইংলেণ্ডৰ ফ্ৰেয়া কেম্পক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল পৰহিলৈ ট'নট'নত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ